# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI

0000000000

**Date : 27-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**:::::::::::::::::::::::::::::::::**

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত আয়োজিত দ্বিতীয় পৰ্যায়ৰ পদ্ম সন্মান প্ৰদান অনুষ্ঠানত ৬৯ গৰাকী ব্যক্তিক এই সন্মানেৰে বিভূষিত কৰে। অনুষ্ঠানত ৩ গৰাকী ব্যক্তিক পদ্ম বিভূষণ, ৯ গৰাকীক পদ্ম ভূষণ আৰু ৫৭ গৰাকীক পদ্মশ্ৰী সন্মানেৰে বিভূষিত কৰা হয়। প্ৰাক্তন মুখ্য ন্যায়াধীশ জগদীশ সিং খেহৰ আৰু কুমুদনি ৰজনীকান্ত লাখিয়াক ৰাজহুৱা পৰিক্ৰমা আৰু কলা ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে পদ্ম বিভূষণ সন্মানেৰে বিভূষিত কৰা হয়। প্ৰসিদ্ধ লোক গায়িকা সাৰদা সিনহাক মৰনোত্তৰভাৱে এই সন্মান প্ৰদান কৰা হয়। পদ্মভূষণ সন্মানেৰে বিভূষিত ব্যক্তিসকলৰ ভিতৰত অসমৰ খ্যাতনামা নৃত্য শিল্পী নৃত্যাচাৰ্য্য যতীন গোস্বামী, কৈলাশ নাথ দিক্ষিত, সাধৱী ৰিতমভৰা অন্যতম। বিশিষ্ট অৰ্থনীতিবিদ বিবেক দেৱৰায়ক মৰনোত্তৰভাৱে এই সন্মানেৰে বিভূষিত কৰা হয়।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সন্ধিয়া নতুন দিল্লীত কেন্দ্ৰীয় শক্তি মন্ত্ৰী মনোহৰ লাল খট্টৰক সাাক্ষাৎ কৰি ৰাজ্যৰ শক্তি আন্তঃগাথনি সুদৃঢ়কৰণৰ বিষয় লৈ আলোচনা কৰে। আলোচনাকালত সম্পদৰ পৰ্যাপ্ততা নিশ্চিত কৰা আৰু ৰাজ্যজুৰি নতুন শক্তি প্ৰকল্পৰ উন্নয়ন ত্বৰান্বিত কৰাত গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী শৰ্মাই ৰেলমন্ত্ৰী অশ্বিনী বৈষ্ণৱক সাক্ষাৎ কৰে আৰু ৰাজ্যৰ ৰেল আন্তঃগাথনিৰ সম্প্ৰসাৰণত বিভিন্ন পদক্ষেপক লৈ বিশদভাৱে আলোচনা কৰে। আলোচনাত ৰাজ্যখনলৈ সামগ্ৰী পৰিবহনৰ সমস্যা লাঘৱ কৰিবলগীয়া ব্যৱস্থাইও স্থান লাভ কৰে।

০০০০

জলসম্পদ, তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী পিযুছ হাজৰিকাই আজি ওদালগুৰি জিলা কোচ ৰাজবংশী সন্মিলনীৰ মুখ্য কাৰ্যালয় চিলাৰায় ভৱনৰ আধাৰশিলা স্থাপন কৰে। কোচ ৰাজবংশী উন্নয়ন পৰিষদৰ বিশেষ পুঁজিৰে এই ভৱনটি নিৰ্মাণ কৰা হ'ব।

অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰী হাজৰিকাই কয়, যে জিলাখনত কোচ ৰাজবংশী জনগোষ্ঠীৰ সৰ্বাঙ্গীন বিকাশত এই ভৱনটোৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। মুখ্য মন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যৰ সকলো জাতি, ধৰ্ম, সম্প্ৰদায়ৰ উন্নয়নৰ বাবে পদক্ষেপ লোৱা হৈছে আৰু বিভিন্ন আঁচনি ক্ষীপ্ৰতাৰে ৰূপায়ণ কৰি থকা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে কোচ ৰাজবংশী সম্প্ৰদায়ৰ লোকৰ উন্নয়নৰ উদ্দেশ্যে বিজেপি

চৰকাৰৰ দিনত কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদ আৰু কোচ ৰাজবংশী উন্নয়ন পৰিষদ গঠন কৰি অতিৰিক্ত সুবিধা প্ৰদানৰ দিহা কৰা হৈছে।

০০০০

উচ্চতম ন্যায়ালয়ৰ কলেজিয়ামে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৩ গৰাকী ন্যায়াধীশসহ দেশৰ মুঠ ২১ গৰাকী ন্যায়াধীশক ভিন্ন ৰাজ্যৰ উচ্চ ন্যায়ালয়লৈ বদলিত অনুমোদন জনাইছে। সেই অনুসৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ এল জমীৰক কলকাতা উচ্চ ন্যায়ালয়, ন্যায়াধীশ মানস ৰঞ্জন পাঠকক উৰিষ্যা উচ্চ ন্যায়ালয়, আৰু ন্যায়াধীশ সুমন শ্যামক বোম্বে উচ্চ ন্যায়ালয়লৈ বদলিৰ অনুমোদন দিয়া হৈছে।

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা শ্বামিমা জাহানে কাইলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশৰূপে শপতগ্ৰহণ কৰিব কাইলৈ দিনৰ ১০ বজাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নতুন ভৱনত আয়োজিত এটা অনুষ্ঠানত মুখ্য ন্যায়াধীশ বিজয় বিষ্ণুয়ে-শ্বামিমা জাহানক কাৰ্যভাৰ গ্ৰহণ আৰু গোপনীয়তা ৰক্ষাৰ শপত বাক্য পাঠ কৰোৱাব।

০০০০

ৰাজ্যিক মন্ত্ৰীসভাৰ সিদ্ধান্তমৰ্মে অসম আৰক্ষীৰ অৰ্থনৈতিক অপৰাধ অনুসন্ধান শাখাক দুৰ্নীতি নিবাৰণ আৰু তদাৰকী সঞ্চালকালয়ৰ সৈতে চামিল কৰা হৈছে। সেই অনুসৰি ৰাজ্য চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ অতিৰিক্ত মুখ্য সচিবে এটা নিৰ্দেশযোগে অৰ্থনৈতিক অপৰাধ অনুসন্ধান শাখাৰ সকলো অনুমোদিত পদ দুৰ্নীতি নিবাৰণ আৰু তদাৰকী সঞ্চালকালয়লৈ স্থানান্তৰিত কৰিছে। একেদৰে ভাৰতীয় আৰক্ষী সেৱা আৰু অসম আৰক্ষী সেৱাৰ পদসমূহৰ বাহিৰে অৰ্থনৈতিক অপৰাধ অনুসন্ধান শাখাৰ সকলো খালী পদৰ বিলুপ্তি ঘটোৱা হৈছে।

০০০০

প্ৰাক্তন ছাত্ৰনেতা শংকৰজ্যোতি বৰুৱাক আজি ডিব্ৰুগড় কাৰাগাৰৰ পৰা মুকলি কৰি দিয়া হয়। গুৱাহাটী উচ্চ ন্যায়ালয়ে কালি শংকৰজ্যোতি বৰুৱাৰ অন্তৰৰ্তীকালীন জামিন মঞ্জুৰ কৰিছিল। উল্লেখযোগ্য যে দুলীয়াজানৰ এটা পেট্ৰ'ল ডিপোত সংঘটিত মাৰপিটৰ ঘটনাত জড়িত থকাৰ অভিযোগত শংকৰজ্যোতি বৰুৱাক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। শংকৰজ্যোতি বৰুৱাৰ বিৰুদ্ধে ৰুজু হৈ থকা ৮৯/২০২৫ নম্বৰ গোচৰটোত গুৱাহাটী উচ্চ ন্যায়ালয়ে কালি জামিন মঞ্জুৰ কৰিছিল।

০০০০

বৰপেটা জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি জিলা উন্নয়ন সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত জলসম্পদ আৰু উদ্যোগ বাণিজ্য বিভাগকে ধৰি মুঠ ১৫ টা বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰা হয়। জিলাখনত সম্ভাব্য বান পৰিস্থিতিৰ জোৰা মৰাৰ বাবে জলসম্পদ বিভাগৰ প্ৰস্তুতি সম্পৰ্কেও বৈঠকত আলোচনা কৰা হয়।

০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে এইবাৰ বাৰিষা কালত সমগ্ৰ দেশত বৰষুণৰ পৰিমাণৰ স্বাভাৱিকতকৈ বেছি হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত ধৰিত্ৰী

বিজ্ঞান মন্ত্ৰালয়ৰ সচিব এম ৰবিচন্দ্ৰনে কয়, যে মৌচুমী বতাহৰ প্ৰভাৱত পশ্চিম উপদ্বীপ অঞ্চলৰ লগতে মধ্য ভাৰতত স্বাভাৱিতকৈ অধিক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। তেওঁ লগতে উত্তৰ পূৱ ভাৰতত এইবাৰ বাৰিষা স্বাভাৱিকতকৈ কম বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টে- ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুক জয়ৰ বাবে ২২৮ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। লক্ষ্ণৌ চুপাৰ জায়েণ্টে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি  নিৰ্ধাৰিত ২০ অভাৰত ৩ টা উইকেট হেৰুৱাই ২২৭ ৰাণ সংগ্ৰহ কৰে।

ooooo

সমাপ্ত